# সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্ম

ড° দিলীপ ৰাজবংশী
*সহযোগী অধ্যাপক, অসমীয়া বিভাগ*
*কটন বিশ্ববিদ্যালয়*

**সাৰাংশ ঃ** ইতিহাস অনুসৰি ভাৰতবৰ্ষত ভক্তিধৰ্মৰ আৰম্ভণি দাক্ষিণাত্যত হৈছিল। দক্ষিণ ভাৰতত প্ৰাচীন কালৰে পৰাই কৃষ্ণৱ অনুগামীৰ সংখ্যা অধিক বুলি ভাগৱত পুৰাণৰ একাদশ স্কন্ধত উল্লেখ আছে। সেই সময়ছোৱাত ধৰ্মীয় চিন্তাৰ নামত শাক্ত, তান্ত্ৰিক আদি পদ্ধতিৰ সৈতে জড়িত যাগ-যজ্ঞ, বলি-বিধান আদিৰ পয়োভৰ অধিক হোৱাত সমাজত অসন্তুষ্টি বাঢ়ি আহে। তদুপৰি সেই পন্থাত সৰ্বসাধাৰণ লোকে জাতি, বৰ্ণ নিৰ্বিশেষে সমানে অংশগ্ৰহণ কৰাত পদে পদে বাধা-নিষেধ আদি অতি কঠোৰভাৱে মানি চলিবলগীয়া হয়। তাৰ বিপৰীতে ভক্তিধৰ্মত অস্পৃশ্যতাৰ স্থান নাই আৰু এজন ভগৱান বিষ্ণুৱ নাম শ্ৰৱণ, কীৰ্তনৰ দ্বাৰাই পৰম ভগৱন্তক পাব পাৰি। ভক্তিধৰ্মই পৰৱৰ্তী সময়ত দক্ষিণ ভাৰতৰ পৰা উত্তৰ ভাৰতলৈ গতি কৰে। ৰামানুজে ভাৰতবৰ্ষত ভক্তি আন্দোলনৰ যোগেদি বৈষ্ণৱবাদ শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰে। তেওঁৰ উদাৰ গণতান্ত্ৰিক ধৰ্মমতৰ সৈতে শংকৰদেৱৰ ভক্তিধৰ্মৰ বহুখিনি সাদৃশ্য আছে। চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ সময়খিনিত প্ৰাচীন কামৰূপত ধৰ্মৰ নামত পূজা-অৰ্চনা, বলি-বিধান আদিৰ পয়োভৰ আছিল। কিন্তু ভক্তিধৰ্মই বহু দেৱতাৰ মাজত এক ভগৱন্তৰ সন্ধান দিয়াৰ লগে লগে সমাজৰ সাধাৰণ লোকসকল সেই পদ্ধতিৰ প্ৰতি আকৰ্ষিত হ'ল। শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণতে বিষ্ণুৰ পূৰ্ণবিহ্ম অৱতাৰ কৃষ্ণৰ গভীৰ তত্ত্বত নিমজ্জিত হয়। তেওঁ লগে লগে সৰ্বভাৰতীয় বৈষ্ণৱ চিন্তাৰ ধাৰা প্ৰাচীন কামৰূপলৈ বোৱাই আনে। বহুদেৱতাৰ মাজত এক দেৱতাৰ সন্ধান আৰু সেই পন্থাৰ যোগেদি ভক্তিত নিমজ্জিত হৈ মুক্তিৰ পথ বিচৰাৰ সুবিধা তেওঁ ভক্তৰ আগত দাঙি ধৰে।

ধৰ্মৰ একেবাৰে সহজ পন্থাৰে ভগৱন্ত পুৰুষৰ নাম শ্ৰৱণ আৰু কীৰ্তন এই ধাৰাৰ মূল বস্তু। এই পন্থাত ঈশ্বৰক পাবলৈ তপ-জপ, যাগ-যজ্ঞ, বলি-বিধান আদিৰ প্ৰয়োজন নাই। সমাজৰ সকলো শ্ৰেণীৰ লোকে ইয়াত সমানে অংশগ্ৰহণ কৰিব পাৰে। একেশ্বৰৰ আৰাধনাৰ যোগেদি সমস্ত দেৱতা সন্তুষ্ট হয়। শংকৰদেৱে নামঘৰ আৰু পৰৱৰ্তী সময়ত সত্ৰ আদিত চিত্ৰ, গীত, পদ, নাট আদিৰ জৰিয়তে ভক্তিধৰ্মৰ ভেটি নিকপকপীয়া কৰি তোলে। নামঘৰ, সত্ৰ আদিত গনতান্ত্ৰিক ব্যৱস্থাৰ প্ৰয়োগ মনকৰিবলগীয়া। তেওঁ গঢ়ি তোলা নৱবৈষ্ণৱ ধৰ্মৰ সংস্কৃতিৰ মূল আধাৰ সহজবোধ্য আৰু মানৱতাধৰ্মী। শংকৰদেৱে ভক্তিধৰ্মৰ মূল ভেটি স্থাপন কৰিছিল যদিও তাত বহুখিনি নিজস্ব

উপাদান সংযোগ কৰি থলুৱাকৰণৰ জৰিয়তে সৰ্বসাধাৰণৰ ওচৰ চাপি গৈছিল। দাস্য ভক্তি ইয়াৰ মূল তত্ত্ব।

**বীজ শব্দৰাজি ঃ** ভক্তিধৰ্ম, সৰ্বভাৰতীয় বৈষ্ণৱ চিন্তা, একেশ্বৰ, গণতান্ত্ৰিক, মানৱতাবাদী, নৱবৈষ্ণৱ ধৰ্ম

ইতিহাস অনুসৰি ভাৰতভূমিত ভক্তিধৰ্মৰ আৰম্ভণি দ্ৰাবিড় দেশ অথবা দাক্ষিণাত্যত। তামিল ভাষাৰ 'চিলপথ্থিকৰম্' নামৰ প্ৰাচীন কাব্য আৰু তামিল কবি কবিকায়নৰ 'কাবিৰিপদ্দিনম' নামৰ কাব্যত তৎকালীন কালছোৱাত কৃষ্ণ-বলোৰামৰ মন্দিৰৰ লগতে ভক্তসকলৰ মাজত দুয়োগৰাকীৰে গুণানুকীৰ্তনৰ বিষয়ে উল্লেখ পোৱা যায়।[১] দক্ষিণ ভাৰতত অতি প্ৰাচীন কালৰ পৰাই কৃষ্ণৰ অনুগামীৰ সংখ্যা সৰ্বাধিক বুলি ভাগৱত পুৰাণৰ একাদশ স্কন্ধত উল্লেখ আছে। সেই সময়বোৰত ধৰ্মীয় চিন্তাৰ নামত শাক্ত, তান্ত্ৰিক আদি পদ্ধতিৰ সৈতে জড়িত যাগ-যজ্ঞ, বলি-বিধান আদিৰ পয়োভৰ অধিক হোৱাত সেই পন্থাৰ প্ৰতি একশ্ৰেণী লোক বিতুষ্ট হয়। তদুপৰি সেই পন্থাত সৰ্বসাধাৰণ লোকে জাতি, বৰ্ণ নিৰ্বিশেষে সমানে অংশগ্ৰহণ কৰাত পদে পদে বাধা-নিষেধ অতি কঠোৰভাৱে মানি চলিবলগীয়া হয়। তাৰ বিপৰীতে ভক্তিধৰ্মত অস্পৃশ্যতাৰ স্থান নাই আৰু এজন ভগৱান বিষ্ণুৰ নাম শ্ৰৱণ, কীৰ্তনৰ দ্বাৰাই পৰম ভগৱন্তক পাব পাৰি। গতিকে সেই সহজ-সৰল পন্থাৰ প্ৰতি সাধাৰণ শ্ৰেণীৰ লোক আকৰ্ষিত হ'ল। ভক্তি আন্দোলনে সাধাৰণ লোকৰ মাজত মাজত নৈতিক জাগৰণৰ সৃষ্টি কৰিলে। কেৱল ভগৱন্ত পুৰুষৰ মহিমা কীৰ্তনতে এই ধাৰা আবদ্ধ নাথাকি সমাজ সংস্কাৰৰ দিশতো ই সমানে গুৰুত্ব দিলে। নৈতিকতা, যোগ্যতা, জ্ঞান-গৰিমা আদিয়ে অধিক গুৰুত্ব লাভ কৰিলে। গৰিষ্ঠ সংখ্যক নিম্ন জাতিৰ লোকেৰে গঠিত দাক্ষিণাত্যৰ আলৱাৰ সন্তসকলৰ দ্বাৰা ৰচিত 'প্ৰবন্ধম' শীৰ্ষত ৪০০০ পদৰ মাজত বৈষ্ণৱ ধৰ্মৰ ভক্তিধৰ্মই প্ৰাধান্য পায়। এই আলৱাৰসকলৰ জন্ম খ্ৰীষ্টীয় ষষ্ঠৰ পৰা দশম শতিকাৰ ভিতৰত। তেওঁলোকৰ দৃষ্টিত ত্ৰিলোকৰ গৰাকী বিষ্ণু সকলোৰে ত্ৰাণকৰ্তা। তেওঁ পৰমাত্মা, জগতৰ প্ৰতিটো জীৱ সেইপৰমাত্মাৰ অংশ। ভক্তসকলক পিতৃত্বৰ স্নেহেৰে তেওঁ আৱৰি ৰাখে। তেওঁৰ ওচৰত সকলোৰে মৰ্যাদা সমান। সেই ভক্তিত জাত-পাত, উচ্চ-নীচৰ কোনো প্ৰভেদ নাই। এই প্ৰকৃতিৰ ভক্তিধৰ্ম সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকসকলে সহজে আঁকোৱালি ল'লে। ভক্তিধৰ্মই পৰৱৰ্তী সময়ত দক্ষিণ ভাৰতৰ পৰা উত্তৰ ভাৰতলৈ গতি কৰে।

আনুমানিক খ্ৰীষ্টীয় অষ্টম শতিকাৰ শংকৰাচাৰ্যৰ ধৰ্মমতত জাতিভেদ একেবাৰে অস্বীকাৰ কৰা পৰিলক্ষিত নহয়। অৱশ্যে তেওঁ যাগ-যজ্ঞৰ জটিলতা বহুখিনি কমাই ভক্তিৰ নতুন ধাৰা প্ৰৱৰ্তন কৰিবলৈ সক্ষম হয়। আনহাতে ৰামানুজ(১০১৭-১১৩৭)এ ভাৰতবৰ্ষত ভক্তি আন্দোলনৰ যোগেদি বৈষ্ণৱবাদ শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰে। তেওঁৰ উদাৰ গণতান্ত্ৰিক ধৰ্মমতৰ সৈতে শংকৰদেৱৰ ভক্তিধৰ্মৰ বহুখিনি সাদৃশ্য আছে। ৰামানুজৰ প্ৰধান শিষ্য বাৰজনৰ ভিতৰত যৱন, জোলা বা তাঁতী, চৰ্মকাৰ, নাপিত, জাঠ আদি ভিন্ন বৰ্ণৰ লোকৰ উপস্থিতি পোৱা যায়। ঠিক সেইদৰে শংকৰদেৱে জাতি-ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোককে তেওঁ শিষ্য হিচাপে গ্ৰহণ কৰিছিল। গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, মুছলমানৰ চান্দসাই আদি সেইসকলৰ ভিতৰত অন্যতম। পৰৱৰ্তী সময়ত ৰামানুজৰ অনুগামীসকল 'তেনগলই' আৰু 'ৰড়গলই' নামে দুটা সম্প্ৰদায়ত বিভক্ত হ'ল। 'তেনগলই' সম্প্ৰদায়ৰ মাজত জাতি-ধৰ্ম-বৰ্ণৰ কোনো ভেদ নাই। সেই সম্প্ৰদায়ৰ মাজত গুৰুৰ স্থান অসমৰ বৈষ্ণৱ ধৰ্মৰ দৰে অৱতাৰৰ তুল্য।[২]

ঋগবেদ পূৰ্ববৰ্তী কালত দেৱতা হিচাপে বিষ্ণুৰ উপস্থিতি একেবাৰে ক্ষীণ। ঋগবেদত এগৰাকী গুৰুত্বপূৰ্ণ দেৱতাৰ ৰূপত বিষ্ণুক বিশেষ প্ৰাধান্য দিয়া হৈছে। কিন্তু সেই যুগত শক্তিশালী দেৱতা হিচাপে অন্যান্য কেইগৰাকীমানৰহে প্ৰভাৱ অধিক আছিল। সেইসকলৰ ভিতৰত ইন্দ্ৰ, ৰুদ্ৰ আদি অন্যতম। এই সকলোবোৰক অতিক্ৰমি বিষ্ণুই কিদৰে শ্ৰেষ্ঠত্বৰ আসনত অধিষ্ঠিত হ'বলৈ সক্ষম হ'ল সেই সম্পৰ্কে ঋগবেদত ইংগিত দিয়া হৈছে। সেই যুগৰ দেৱতাসকলৰ অধিক শক্তি আৰু দমনকাৰী চৰিত্ৰৰ বিপৰীতে বিষ্ণুৰ সহজ-সৰল

সৰ্বজনপ্ৰিয় স্থিতি ইয়াৰ মূল কাৰণ বুলি অনুমান কৰিব পাৰি। ভগৱান বিষ্ণু নৰৰ উপৰিও পশু-পক্ষীৰো পৰম বিশ্বাসী আৰু হিতকাৰী। ভক্তৰ দুখ নিবাৰণ কৰোতা, সহজতে পাব পৰা বিষ্ণুৰ সৰ্বজনপ্ৰিয় চৰিত্ৰই এইদৰেই প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়। তদুপৰি দেৱতাসকলৰ মাজত শ্ৰেষ্ঠত্বৰ বাবে অনুষ্ঠিত হোৱা এক বিশেষ বিতৰ্কত সকলোকে হৰুৱাই বিষ্ণুৱে নিজৰ মহিমা প্ৰদৰ্শন কৰি সৰ্বোত্তম দেৱতাৰ স্থানত অধিষ্ঠিত হোৱাৰ বিষয়ে শতপথ ব্ৰাহ্মণ, আৰণ্যক আৰু পঞ্চবিংশ ব্ৰাহ্মণত উল্লেখ পোৱা যায়। এইগৰাকী বিষ্ণুৰ সৈতে বৃষ্ণি বংশৰ কৃষ্ণৰ নাম একাকাৰ হৈ পৰে। গোপালকসকলৰ মুখিয়াল(গোপ্তা) যাদৱ বংশৰ বসুদেৱৰ পুত্ৰ কৃষ্ণৰ বিষয়ে তৈত্তিৰীয় ব্ৰাহ্মণ, শতপথ ব্ৰাহ্মণ, জৈমিনীয় ব্ৰাহ্মণ আদিত উল্লেখ আছে। তদুপৰি হৰিবংশ পুৰাণ আৰু মহাভাৰতত কৃষ্ণৰ বিষয়ে সবিস্তাৰ বৰ্ণনা পোৱা যায়। অৱশ্যে অতীজৰে পৰা যুগে যুগে ধাৰণ কৰা বিষ্ণুৰ ভিন্ন ৰূপৰ বৰ্ণনা বিভিন্ন পুৰাণ, উপপুৰাণ, মহাকাব্য আদিত লিপিবদ্ধ ৰূপত আছে। বিষ্ণু কৃষ্ণ অভেদাত্মা হ'লেও হ'লেও পৰম বিষ্ণু অথবা অনন্ত নাৰায়ণ সৰ্বেসৰ্বা। কৃষ্ণই বিষ্ণুৰ দৰ্শনৰ অৰ্থে নিজে তেওঁৰ ওচৰলৈ যোৱাৰ বৰ্ণনা পোৱা যায়। কৃষ্ণ নামৰ সৈতে পৰমব্ৰহ্ম একাকাৰ।

> The meaning of the word 'krishna' is-krish (কৃষ) means ভূ(bhu) i.e. existence; and the cerebral ণ means ananda. When both the components parts combine, the word 'krishna' is formed. Therefore, Krishna means Paramananda or eternal bliss. Krishna is the Parama Brahman of the Vedas. Krishna or Parama Brahman in order to draw his Bhakta gopis towards him, called them by playing upon his sweet divine flute. His vamsi or flute possesses all the powers of attraction towards everlasting ananda, i.e. Brahman: and Krishna is a consolidated image of Parama Brahman.[৩]

বিষ্ণুৰ পূৰ্ণব্ৰহ্ম অৱতাৰ কৃষ্ণৰ প্ৰতি ভক্তিৰ বিভিন্ন তাৎপৰ্য দেখা যায়। বিষ্ণুৰ মানবীয় অৱতাৰ ৰূপী কৃষ্ণ সৰ্বসাধাৰণৰ মাজৰ এজন। গোৰখীয়াৰ ৰূপত সাধাৰণৰ মাজত অসাধাৰণ। কৃষ্ণৰ পিতৃ ক্ষত্ৰিয় হ'লেও মাক দৈৱকী মথুৰাৰ অনাৰ্য গোষ্ঠীৰ লোক।[৪] সাধাৰণভাৱে ডাঙৰ-দীঘল হোৱা কৃষ্ণ সন্তৰ পৰম বান্ধৱ। স্বমহিমাৰে বিষ্ণুৰ অৱতাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰা পৰমাত্মাৰ অংশ কৃষ্ণ কেৱল নাম-কীৰ্তনতে সন্তুষ্ট। ধৰ্মীয় কঠোৰ নীতি-নিয়ম তেওঁৰ আৰাধনাৰ বাবে প্ৰয়োজন নাই। গতিকে বলি-বিধান, যাগ-যজ্ঞৰে অন্যান্য দেৱ-দেৱীক পূজা-অৰ্চনা কৰাৰ সামৰ্থ্য নথকা অথবা সেই পন্থাৰ প্ৰতি বিৰূপ ভাৱ পোষণ কৰাসকলৰ বাবে তেওঁ মূল দেৱতাৰ আসনত স্থান লাভ কৰিবলৈ সক্ষম হয়। যাগ-যজ্ঞ, বলি-বিধান আদিৰ দৰে শাক্ত পদ্ধতিৰ মাজত প্ৰচলিত নীতিৰ বিৰূপ প্ৰভাৱ সমাজত লাহে লাহে গা কৰি উঠে।

চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ এই দীঘলীয়া সময়খিনিতি প্ৰাচীন কামৰূপ আৰু পূৰ্ববংগৰ অধিকাংশ অঞ্চল বৰ্মন বংশ, শালস্তম্ভ বংশ আৰু ভৌম পাল বংশই শাসন কৰিছিল। এই ৰজাসকলৰ দিনত এই ক্ষেত্ৰ হিন্দু ধৰ্মৰ প্ৰভাৱাধীন আছিল। হিন্দু দেৱ-দেৱীৰ মন্দিৰ, পূজা-অৰ্চনা ইয়াত মুখ্য আছিল। কিন্তু ১১২৬ খ্ৰীষ্টাব্দত পাল বংশৰ শেষ ৰজা টিংগ দেৱৰ মৃত্যুৰ পিছত পৰিস্থিতি সলনি হৈ পৰে। ইতিমধ্যে পশ্চিম অসমত বংগৰ প্ৰভাৱশালী বৌদ্ধ ধৰ্মীয় ধাৰা সহজীয়া, তান্ত্ৰিক আৰু নাথ পন্থাৰ অনুপ্ৰৱেশ ঘটে। লগতে উত্তৰ ভাৰতত তুৰ্কীসকলৰ সঘন আক্ৰমণত বিপৰ্যস্ত বৌদ্ধ মহাযান পন্থাই উজনি অসমত খোপনি পোতে। জনজাতীয় মূলৰ ৰজাসকলে সেই ধৰ্মক আদৰণি জনায়। ক্ৰমান্বয়ে অসম ভূখণ্ড তান্ত্ৰিক ভাৱনাৰ মুখ্য ক্ষেত্ৰলৈ পৰিণত হয়। সমান্তৰালকৈ নীলাচল পাহাৰত অৱস্থিত কামাখ্যা মন্দিৰৰ পূজা পদ্ধতিয়ে এই চেতনা বিয়পি যোৱাত মুখ্য ভূমিকা গ্ৰহণ কৰে।[৫] কিন্তু সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকসকলৰ সেই ধৰ্ম পদ্ধতিত সম্পূৰ্ণ অংশগ্ৰহণৰ বহুখিনি বাধা আৰু

অসুবিধা আছিল। তদুপৰি শাস্ত্ৰবোৰৰ ভাষা সৰ্বসাধাৰণৰ বাবে দুৰ্বোধ্য হোৱা বাবে ধৰ্মৰ গূঢ়াৰ্থ অনুধাৱন কৰাত সেই লোকসকল সম্পূৰ্ণ ব্যৰ্থ হৈছিল। পুৰোহিত তন্ত্ৰই তাৰে সুযোগতে ধৰ্মীয় কাম-কাজত মধ্যভোগীৰ সুবিধা গ্ৰহণ কৰিছিল। ফলস্বৰূপে সাধাৰণ শ্ৰেণীৰ লোকসকলে বহুক্ষেত্ৰত ধৰ্মীয় পদ্ধতিৰ ৰীতি-নীতি একো নুবুজাকৈয়ে নিৰ্দিষ্ট দূৰত্বত থাকি নীতি-নিয়ম অন্ধভাৱে পালন কৰিবলগীয়া হৈছিল। তদুপৰি শাক্ত, তান্ত্ৰিক পদ্ধতিত বহু দেৱতাৰ পূজা-অৰ্চনা কৰিবলগীয়া হোৱাত সেই লোকসকল ভ্ৰান্তিত পৰাৰ লগতে ধাৰাবাহিক ধৰ্মীয় কাম-কাজত ব্যস্ত থাকিবলগীয়া হোৱাত আৰ্থিক অসুবিধাৰো সন্মুখীন হৈছিল। লগতে ধৰ্মীয় আচৰণসমূহ নিয়াৰিকৈ চলাই নিবৰ বাবেও বিত্ত-সম্পদৰ প্ৰয়োজন হয়, যিটো আৰ্থিক দুৰ্বলসকলৰ বাবে অসুবিধাজনক। ভক্তিধৰ্মই বহু দেৱতাৰ মাজত এক ভগৱন্তৰ সন্ধান দিয়াৰ লগে লগে সমাজৰ এই শ্ৰেণীৰ লোকসকল সেই পদ্ধতিৰ প্ৰতি আকৰ্ষিত হ'ল। সৰ্বসাধাৰণৰ পৰিচিত থলুৱা চিনাকি ভাষা ধৰ্মৰ মাধ্যমৰূপে প্ৰয়োগৰ ফলত এফালে ভক্তি আন্দোলনৰ ভেটি যিদৰে সুদৃঢ় হ'ল ঠিক সেইদৰে প্ৰাদেশিক সাহিত্যসমূহেও বিকাশ লাভ কৰিবলৈ সক্ষম হয়। সংস্কৃতত লিখিত বৈষ্ণৱ ধাৰাৰ প্ৰায়খিনি সাহিত্য এই কালছোৱাতে ভাৰতৰ প্ৰাদেশিক ভাষাসমূহলৈ অনূদিত হয়।[৬] লগে লগে সেই ভাষাসমূহৰ সাহিত্যৰ ভঁৰাল চহকী হৈ পৰে। বিষ্ণুৰ অৱতাৰ কৃষ্ণৰ আৰাধনাৰ বাবে বিশেষ কঠোৰ নীতি-নিয়মৰ প্ৰয়োজন নাই। কেৱল তেওঁৰ নাম শ্ৰৱণ-কীৰ্তন কৰিলেই ভক্তি সিজে। এইদৰেই ভক্তিৰ সৰ্বশ্ৰেষ্ঠ দেৱতা বিষ্ণুৰ আৰাধনা পদ্ধতি লাহে লাহে সমাজৰ সকলো শ্ৰেণীলোকৰ মাজত জনপ্ৰিয় হয়। সেই বিষ্ণুৰে মানবীয় অৱতাৰ কৃষ্ণৰ প্ৰতি ভক্তি এইদৰেই বাঢ়ি আহে। তদুপৰি সমগ্ৰ ভাৰতবৰ্ষত গা কৰি উঠা ভক্তি ধৰ্মমতৰ প্ৰধান দেৱতা হিচাপে বিষ্ণুই স্থান লাভ কৰাৰ লগে লগে এই ধাৰা অধিক শক্তিশালী হয়। ইফালে হিন্দু ধৰ্মীয় ভক্তি মাৰ্গৰ মূল ভাষা হিচাপে থকা সংস্কৃতৰ প্ৰভাৱ লাহে লাহে কমি অহাৰ লগে লগে ভাৰতৰ প্ৰান্তীয় ভাষাবোৰত ধৰ্মৰ মূল তত্ত্ব আৰু শাস্ত্ৰাদি ৰচিত হোৱাৰ লগে লগে সমাজৰ সকলো শ্ৰেণীৰ লোকে ধৰ্মৰ মূল তত্ত্ব আহৰণ কৰাৰ অসুবিধাসমূহ দূৰীভূত হ'ল।

সৰ্বভাৰতীয় ভক্তিধৰ্মৰ মূল দেৱতা বিষ্ণুৰ প্ৰতি ভক্তি চেতনা অথবা তেওঁক সৰ্বেসৰ্বা হিচাপে অধিস্থিত কৰাৰ প্ৰৱণতা শংকৰদেৱৰ পূৰ্বতে অসম ভূখণ্ডত থিতাপি লোৱাৰ প্ৰমাণ পোৱা যায়। সাহিত্যত হেম সৰস্বতী (প্ৰহ্লাদ চৰিত), মাধৱ কন্দলি(সপ্তকাণ্ড ৰামায়ণ) আদিত শক্তিশালী ৰূপত বিষ্ণুৰ মহিমা বন্দনাৰ পৰাই সেই তথ্য পোৱা যায়। আনহাতে 'কালিকা পুৰাণ', 'যোগিনী তন্ত্ৰ'ৰ উপৰিও ভৌম ৰজাসকলৰ তামৰ ফলিসমূহতো তাৰ নিদৰ্শন পোৱা যায়। মনকৰিবলগীয়া বিষয়টো হ'ল- 'কালিকা পুৰাণ' আৰু 'যোগিনী তন্ত্ৰ' দুয়োখন গ্ৰন্থ শাক্তপন্থাৰ গুনানুকীৰ্তনৰে ভৰপূৰ যদিও শেষৰফালে বিষ্ণুৰ মহিমা কীৰ্তন দেখা গৈছে। শংকৰদেৱেও 'কালিকা পুৰাণ' বিষ্ণুৰ মাহাত্ম্য প্ৰতিপাদক গ্ৰন্থ হিচাপে উল্লেখ কৰিছে।[৭] 'কালিকা পুৰাণ' দেৱী মাহাত্ম্যৰ বাবে খ্যাত উপপুৰাণখনত 'হিৰণ্যগৰ্ভপুৰুষ প্ৰধানাব্যক্ত ৰূপিনে। ওঁ নমো বাসুদেবায় শুদ্ধজ্ঞান স্বৰূপিনে।।[৪৫]' —পদৰ দৰে বিষ্ণুৰ প্ৰতি ভক্তিপূৰ্ণ কেইবাটাও শ্লোক পোৱা যায়। পৰবৰ্তী সময়ত শংকৰদেৱৰ হাতত এই ধাৰাই অধিক শক্তিশালী ৰূপ লাভ কৰিবলৈ সক্ষম হয়।

> শংকৰদেৱৰ প্ৰায় সহস্ৰ বছৰৰ আগতে ভাৰতত নৱ-বৈষ্ণৱ ধৰ্মৰ মত প্ৰচাৰিত হৈছিল, আৰু তাৰ একোটি জিলিঙনি সময়ে সময়ে আহি অসমত ভূমুকি মাৰিছিল; তাৰ ঘাই প্ৰমাণ ভৌম ৰজাবিলাকৰ তামৰ ফলিবোৰ আৰু কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰ নামৰ ভাৰত-প্ৰসিদ্ধ শাস্ত্ৰ দুখন। শৈৱ ভৌম ৰজাসকলৰ প্ৰশস্তিবোৰত বা শাক্ত শাস্ত্ৰবোৰত সেইবোৰ ধৰ্মৰ বিৰোধী নৱ-বৈষ্ণৱ ধৰ্মৰ মত কেনেকৈ থাকিব পাৰে, ই দেখাত আচৰিত যেন লাগিলেও প্ৰকৃততে তেনে নহয়।[৮]

প্ৰাচীন কামৰূপত নৱবৈষ্ণৱ ধৰ্মৰ জৰিয়তে ভক্তিধৰ্মৰ ধাৰা শক্তিশালী ৰূপত গঢ়ি তুলি সমাজ-জীৱনক নতুন দিশৰ সন্ধান দিয়া শংকৰদেৱৰ জন্ম শাক্ত পৰিয়ালত হৈছিল। তেওঁৰ উপৰিপুৰুষ বাৰভূঞাসকল শাক্তপন্থী হোৱাৰ বাবে তেওঁৰ পৰিয়ালে শাক্ত নীতি-নিয়মৰ মাজেৰে ভগৱানৰ আৰাধনা কৰিছিল। আনকি পুত্ৰসন্তান লাভৰ মনোবাঞ্চাৰে কৰা শিৱপূজাৰ পিছত তেওঁৰ জন্ম হোৱাত শংকৰ নাম ৰখা বুলিও কিম্বদন্তি প্ৰচলিত। সেই গৰাকী শংকৰে শিক্ষা-দীক্ষা গ্ৰহণ কৰি সংসাৰ ধৰ্মত আবদ্ধ হৈ পত্নী বিয়োগৰ দৰে বেদনাৰ উপশম বিচাৰি ভগৱন্তৰ সাক্ষাত অৰ্থে তীৰ্থ ভ্ৰমণ কৰে। সেই তীৰ্থ ভ্ৰমণে তেওঁক নতুন পোহৰ, সুকীয়া ব্যক্তিত্ব, নতুন পথ আৰু নতুন পাথেয় দিলে।[৯] বাৰবছৰ পিছত নিজ গৃহলৈ ঘূৰি আহি পুনৰ বিবাহপাশত আবদ্ধ হ'লেও সকলোবোৰ গৌণ কৰি ভগৱন্ত পুৰুষৰ সান্নিধ্যৰ বাবে ভক্তিধৰ্মত অধিক মনোনিৱেশ কৰিলে। নামঘৰ স্থাপন কৰি ভকত-বৈষ্ণৱক একত্ৰিত কৰি হৰি নামত নিমজ্জিত হ'ল। ভাগৱত পুৰাণৰ টীকাভাষ্য শ্ৰীধৰস্বামীৰ 'ভাগৱত-ভাৱাৰ্থ দীপিকা' বৈষ্ণৱসকলৰ ভক্তিৰ সাৰগ্ৰন্থ। শংকৰদেৱে এই টীকাগ্ৰন্থ অবিহনে ভাগৱত চৰ্চা কৰিছিল যদিও গ্ৰন্থখনৰ ৰস আস্বাদনৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছিল। পুৰীৰ শ্ৰীক্ষেত্ৰৰ জগদীশ মিশ্ৰ নামৰ ভক্ত এগৰাকীয়ে দুজন সহযোগীৰ সৈতে এই পুথি আনি তাৰ ব্যাখ্যা তেওঁৰ আগত বৰ্ণনা কৰে। শংকৰদেৱে শ্ৰীধৰস্বামীৰ এই গ্ৰন্থকে মূল হিচাপে গ্ৰহণ কৰি ভাগৱত পুৰাণ আধাৰিত গীত,পদ,নাট আদি ৰচনা কৰিবলৈ অনুপ্ৰাণিত হ'ল।

> শংকৰদেৱৰ ভক্তিধৰ্মক মহাপুৰুষীয়া ধৰ্ম নাম দি মতা হয়। এই মহাপুৰুষীয়া আখ্যাটি ভাগৱত-পুৰাণৰ(১.১৪.৩৭) 'মহাপৌৰুষিক' শব্দৰপৰা আহিছে—যি শব্দটি শ্ৰীধৰস্বামীয়ে ব্যাখ্যা কৰিছে এই বুলি—মহাপুৰুষো বিষুওস্তদীয়ো মহাপৌৰুষিকো বৈকুণ্ঠনামানুচৰঃ(২.১.১০)— 'নামঘোষা'ৰ ভাষাত 'মহাপুৰুষৰ সেৱক'।[১০]

শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণতে বিষ্ণুৰ পূৰ্ণবক্ষ্ম অৱতাৰ কৃষ্ণৰ গভীৰ তত্ত্বত নিমজ্জিত হয়। সৰ্বভাৰতীয় বৈষ্ণৱ চিন্তাৰ সাৰ এই ভ্ৰমণতে তেওঁ লাভ কৰিবলৈ সক্ষম হয়। বাৰবছৰীয়া ভ্ৰমণকালত তেওঁ গঁয়া, কাশী, পুৰী, বৃন্দাবন, মথুৰা, কুৰুক্ষেত্ৰ, বদৰিকাশ্ৰম, বৰাহক্ষেত্ৰ, পুষ্কৰ, দ্বাৰকা, ৰামেশ্বৰম আদি ঠাই পৰিভ্ৰমণ কৰে। সেই স্থানসমূহত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ আৰু গতি-প্ৰকৃতি প্ৰত্যক্ষ কৰি বহুখিনি নতুনত্ব আহৰণ কৰিবলৈ সক্ষম হয়। ভক্তিধৰ্মই মানুহক নতুন চিন্তাৰ সন্ধান দিয়াৰ সমান্তৰালকৈ এক ঈশ্বৰৰ ধাৰণাৰে বান্ধ খুৱাবলৈ সক্ষম। সেই পন্থাত সমূহীয়া কীৰ্তন আৰু গীতৰ জৰিয়তে পৰমব্ৰহ্ম বিষ্ণুৰ আৰাধনা প্ৰত্যক্ষ কৰি তেওঁ সেই ভক্তিত নিমজ্জিত হয়। বিদ্যাপতি, জয়দেৱ আদিৰ ভক্তি বিষয়ক গীত-কবিতাই মানুহক ভক্তিধৰ্মলৈ বিশেষ আকৰ্ষিত কৰে। শংকৰদেৱৰ মনত এই নতুন ধাৰণাই সেই স্থানতে শিপা মেলে। সেই ধাৰাৰ ভক্তিসম্পন্ন উচ্চস্তৰীয় চিন্তা-আদৰ্শ স্থানীয় পৰিৱেশ-পৰিস্থিতিৰ সৈতে মিলাই তাক গ্ৰহণীয় কৰি এই ভূখণ্ডত তাৰ প্ৰতি সৰ্বসাধাৰণক আকৰ্ষিত কৰি তোলে। ইতিমধ্যে যাগ-যজ্ঞ আৰু তান্ত্ৰিক পদ্ধতিৰ নিয়ন্ত্ৰণ বিশেষ কিছুমানৰ হাতত কুক্ষিগত হৈ থকাত সাধাৰণ লোক ধৰ্মৰ অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ উপৰিও বিভিন্ন দিশেৰে তেওঁলোক প্ৰবঞ্চিত হৈছিল। বহুদেৱতাৰ মাজত এক দেৱতাৰ সন্ধান আৰু সেই পন্থাৰ যোগেদি ভক্তিত নিমজ্জিত হৈ মুক্তিৰ পথ বিচৰাৰ সুবিধা শংকৰদেৱে দাঙি ধৰে। সৰ্বভাৰতীয় ভক্তিৰ ধাৰা তেওঁ এইদৰে অসমলৈ বোৱাই আনে।[১১]

ব্ৰহ্মৰূপী নাৰায়ণ পৰমেশ্বৰ। ব্ৰহ্মা-মহেশ আদিকে ধৰি সমস্ত দেৱতাৰ সৃষ্টিকৰ্তা তেওঁ। মনুষ্য ৰূপ ধাৰণ কৰি সাধাৰণ লোকৰ দৰে জীৱন ধাৰণ কৰা কৃষ্ণ নাৰায়ণৰ পূৰ্ণ অৱতাৰ। তেওঁ ভগৱান স্বয়ম। সেই কৃষ্ণক আৰাধনা কৰিলেই সকলো দেৱতা সন্তুষ্ট হয়। সেই এগৰাকী দেৱতা কৃষ্ণৰ চৰণত দাস্য ভাৱেৰে নিজক সমৰ্পণ কৰিলেই জীৱৰ মুক্তিৰ পথ প্ৰশস্ত হয়। শ্ৰীমদ্ভাগৱত গ্ৰন্থৰ মূল নামতত্ত্বৰ আধাৰ দেৱতা কৃষ্ণ।

ভাগৱতত থকা নৱিধ ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্তন সৰ্বোত্তম। কৃষ্ণ আৰু বিষ্ণুৰ অভেদত্ব ধ্যানৰ বাবে নাম-কীৰ্তনৰ জৰিয়তে তেওঁক আৰাধনা কৰিব লাগে। সেই ধাৰণাকে সাকাৰ কৰাৰ বাবে শংকৰদেৱে সমূহীয়া নাম-কীৰ্তনৰ জৰিয়তে কৃষ্ণৰ মহিমা গুনানুকীৰ্তন কৰি মুক্তিৰ পথ সন্ধানৰ পন্থা সৰ্বসাধাৰাণক আগত তুলি ধৰে। সৰল প্ৰকৃতিৰ সৰ্বজনবোধ্য ভক্তিধৰ্মৰ ৰূপান্তৰ শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মত জটিলতা বৰ্জনীয়। আনকি সংস্কৃত ভাষাৰ জটিলতাও তেওঁ পাৰ্যমানে পৰিহাৰ কৰি সহজ ভাষাত ভক্তিৰ গূঢ়াৰ্থ ব্যাখ্যা কৰিছে। নাম, দেৱ, গুৰু, ভকত এই চাৰিবিধ পৰমতত্ব ভক্তিৰ মূল। ভক্তই নিজকে দাসৰূপে অৱলম্বন কৰি ভগৱানক আৰাধনা কৰিলেই ভক্তি সিজে।

> শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা অসমৰ বৈষ্ণৱ ভক্তি মাৰ্গটো গুৰুজনা আৰু তেওঁৰ অনুগামীসকলে সৰ্বভাৰতীয় বৈষণ্ৱ পৰম্পৰাৰ পৰা শ্ৰেষ্ঠ ভাব-চিন্তা, আদৰ্শ, ৰীতি-নীতি আদি মুকলিভাৱে আহৰণ কৰি তাক স্থানীয় পৰিস্থিতিৰ লগত খাপ খোৱাকৈ সজাই-পৰাই উলিয়াই গ্ৰহণ কৰিলে। অৱশেষত তেওঁলোকে এক সহজবোধ্য আৰু সহজসাধ্য, সকলোকে সামৰি ল'ব পৰা (অন্তৰ্ভুক্তিক্ষম), উদাৰনৈতিক, প্ৰেম আৰু কৰুণাৰে সিক্ত বৈষ্ণৱ হিন্দুধৰ্মৰ আধাৰ তথা আৰ্হি মানুহৰ আগত তুলি ধৰিববলৈ সক্ষম হ'ল আৰু সাধাৰণ মানুহেও ধৰ্ম উপাসনাৰ এই পদ্ধতিক আন্তৰিকভাৱে গ্ৰহণ কৰিলে।[১২]

খ্ৰীষ্টীয় দশম শতিকামানৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত এই ভক্তি আন্দোলনে গা কৰি উঠে। ধৰ্মৰ একেবাৰে সহজ পন্থাৰে ভগৱন্ত পুৰুষৰ নাম শ্ৰৱণ আৰু কীৰ্তন এই ধাৰাৰ মূল বস্তু। এই পন্থাত ঈশ্বৰক পাবলৈ তপ-জপ, যাগ-যজ্ঞ, বলি-বিধান আদিৰ প্ৰয়োজন নাই। সমাজৰ সকলো শ্ৰেণীৰ লোকে ইয়াত সমানে অংশগ্ৰহণ কৰিব পাৰে। ধন-বিত-সম্পদ আদি নোহোৱাকৈয়ো মুক্তি পথৰ সন্ধান কৰিব পাৰি। একেশ্বৰৰ আৰাধনাৰ যোগেদি সমস্ত দেৱতা সন্তুষ্ট হয়। তেওঁ সমস্ত বিশ্বৰ মূল অনন্ত নাৰায়ণ বিষ্ণু। বিষ্ণুৱে মানৱতাৰ বসুদেৱ-দৈৱকীনন্দন কৃষ্ণ।

> 'কৃষ্ণদেৱ তথা হিন্দুৰ উপাস্য দেৱতাসকলৰ সৰ্বোচচ, পৰম ব্ৰহ্মৰ প্ৰতিভূ অৱতাৰ দৈৱকীনন্দন কৃষ্ণদেৱৰ চৰণত একনিষ্ঠ শৰণ, ভক্তিৰ মাৰ্গত নিয়োজিত ভকতৰ সমাজখন আৰু এনে উপাস্য শ্ৰীকৃষ্ণদেৱৰ লীলা আৰু গুণ-যশ চৰ্চাৰে ভকতসকলে লগ লাগি লোৱা নাম-এইকেইটাই ভক্তিধৰ্মৰ পালনীয় মূল বস্তু।[১৩]

শ্ৰীমদ্ভাগৱত গীতা অনুসৰি কৃষ্ণ এই বিশ্বৰ মূল আৰু শেষ সত্য। অলপীয়া ভজনাতে সন্তুষ্ট কৃষ্ণ ভগৱান ভক্তৰ মোক্ষ লাভৰ বাবে সদা ব্যাকুল। ভক্তৰ দুখ-তাপ নিবাৰণৰ বাবে তেওঁ সদয়। এই মানবীয় অৱতাৰৰ ৰূপ কৃষ্ণৰ সৈতে ভক্তই সহজতে সহৃদয়তা স্থাপন কৰিব পাৰে। কঠোৰ সাধনা অথবা পূজা-অৰ্চনা, যজ্ঞ, বলি-বিধান নোহোৱাকৈয়ো কেৱল শ্ৰৱণ-কীৰ্তনৰ দ্বাৰাই তেওঁক পাব পাৰি। সৰ্বসাধাৰণৰ বাবে সহজবোধ্য এই ভক্তিৰ প্ৰতি সমাজৰ অধিকাংশ লোক আকৰ্ষিত হোৱাত পূৰ্বৰে পৰা তান্ত্ৰিক-বামাচাৰ আদি পদ্ধতিৰ প্ৰতি থকা বিতৃষ্ণায়ো এই ক্ষেত্ৰত অৰিহণা যোগালে।

> ব্যক্তিৰূপী ভগবান বিযুওৰ উপাসনাৰ মাধ্যমেৰেই ভক্তিবাদৰ আৰম্ভ। বিষ্ণু বৈদিক দেৱতা। ঋগ্বেদত বিষ্ণুক দ্যুলোকৰ দেৱতা আদিত্যসকলৰ এজন বুলি ধৰা হৈছে। বিষ্ণু শব্দটো "বিষ৯ ব্যাপ্তৌ" অৰ্থাৎ ব্যাপ্ত হৈ থকা ব্যাপ্তবোধক 'বিষ৯' ধাতুৰ লগত "নুক্" প্ৰত্যয় সংযোজিত কৰি সম্পন্ন কৰা হৈছে। কোনো কোনোৱে "ৱিশ প্ৰৱেশনে" অৰ্থাৎ প্ৰৱেশ কৰা অৰ্থবোধক 'ৱিশ' ধাতুৰ পৰাও 'বিষ্ণু' শব্দৰ ব্যুৎপত্তি দেখুৱাইছে।[১৪]

শংকৰদেৱে নামধৰ্মৰ অংশ হিচাপে ভক্তিৰে সিক্ত গীত-পদ-নাট-চিত্ৰকলা আদিৰে অসমৰ সমাজ

জীৱনলৈ নতুন সাংস্কৃতিক জাগৰণ কঢ়িয়াই আনিছিল। উত্তৰ ভাৰতত ভক্তিধৰ্মৰ অংশ স্বৰূপে একধৰণৰ উচ্চাংগ সংগীতৰ যি পৰম্পৰা ঠিক সেইদৰে শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মত বৰগীত, ভটিমা, অংকীয়া নাটৰ গীত আদিৰে ভকত- বৈষ্ণৱক ভক্তিৰ প্ৰতি আকৰ্ষিত কৰিছিল। আনহাতে শংকৰদেৱৰ সময়ত ভক্তিকেন্দ্ৰ বিশেষকৈ নামঘৰত আৰু পৰৱৰ্তী সময়ত সত্ৰ আদিত সেইবোৰৰ চৰ্চাই এক গুৰুগম্ভীৰ পৰিৱেশৰ উপৰিও এক শাস্ত্ৰীয় সংগীতৰ শক্তিশালী ধাৰা সৃষ্টি কৰিবলৈ সক্ষম হয়। শংকৰদেৱৰ নববৈষ্ণৱ ধৰ্মই গঢ়ি তোলা সংস্কৃতিৰ মূল আধাৰ সহজবোধ্য আৰু মানৱতাধৰ্মী। সাহিত্য, গীত-মাত, ভাওনা, সত্ৰ, নামঘৰ আদিৰ যোগেদি অসমৰ সমাজ জীৱনত এক নৱজাগৰণৰ সূচনা হয়।[১৫] শংকৰদেৱে নিজে সাত বৈকুণ্ঠৰ পট আকি চিহ্নযাত্ৰা ভাওনা কৰিছিল। বৃন্দাবনী বস্ত্ৰ উৎকৃষ্টতম শিল্পকলাৰ নিদৰ্শন। আনহাতে তেওঁৰ শিষ্য-প্ৰশিষ্যসকলে চৰিত পুথি, সাঁচিপাত, তুলাপাত আদিত চিত্ৰকলাৰ চৰ্চা কৰিছিল। গতিকে ভক্তিৰ সমান্তৰালকৈ তেওঁ এক সাংস্কৃতিক নৱজাগৰণ সূচনা কৰাত সফল হৈছিল।

> শংকৰদেৱৰ ধৰ্মীয় দৰ্শনৰ মূল তত্ত্বটো এক পৰম অদ্বৈতবাদ(The Panthestie Formula) দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে ঈশ্বৰ আৰু জগত তথা স্ৰষ্টা আৰু সৃষ্ট দুয়োটা একেই; যিটোৰে অন্য এটা অদ্বৈতবাদী মতক(Monistic Principle) অৰ্থাৎ ঈশ্বৰ বা ব্ৰহ্মাইহে সত্য বা সনাতন,—বাকী বৈচিত্ৰময় সমস্ত জগতখন মিথ্যা বা মায়া স্বৰূপ, এই মতক উপেক্ষা কৰে। তেওঁৰ মতে পৰম ব্ৰহ্মাই পুৰুষোত্তম, তেওঁৱেই সকলোৰে গৰাকী, আৰু পৰমসত্বা, যিটো সনাতন পৰম সত্বা অপৰিবৰ্তনশীল(Mobil Multiplicity) এক, আৰু সেই একতেই বহুত্বৰ স্থিতি নিহিত থাকে। এই ব্ৰহ্মাণ্ডত বৃহৎ পৰিবৰ্তনৰদ্বাৰা তেওঁ নিজৰ স্বৰূপ, শক্তি ইচ্ছা আৰু ক্ষমতা প্ৰমাণ কৰি দেখুৱাই—আনকি তেওঁ কেতিয়াবা এই পৃথিৱীত নিজেও অৱতাৰ ধাৰণ কৰি দেখুৱাই; আৰু যেতিয়া তেওঁ মহা নিদ্ৰাত থাকে, তেতিয়া তেওঁৰ জাগতিক চেতনা স্থৱিৰ হোৱা বুলি যি ধাৰণা কৰা হয় তাৰ প্ৰকৃত তাৎপৰ্য হ'ল যে—তেতিয়া তেওঁ ইয়াৰ পৰা বিৰত থাকে। তথাপি তেওঁ যে পুৰুষোত্বম বা মহাপুৰুষ; সেয়েহে তেওঁ মায়া ৰহিত আৰু মায়া সমৃদ্ধ দুয়োটা অৱস্থাতে থাকে। ই আচলতে ভক্তিযোগৰ শ্ৰেষ্ঠতম বা পৰম তত্বহে, যিটোৰে সন্যাসবাদৰ প্ৰকৃত সংজ্ঞাকো(The right definition of monastic philosophy) চেৰ পেলাই যায়।[১৬]

মনকৰিবলগীয়া দিশটো হ'ল সৰ্বভাৰতীয় নৱবৈষ্ণৱ আন্দোলনৰ আধাৰতে শংকৰদেৱে তেওঁৰ ভক্তিধৰ্মৰ মূল ভেটি স্থাপন কৰিছিল যদিও তাত বহুখিনি নিজস্ব উপাদান সংযোগ কৰি থলুৱাকৰণৰ জৰিয়তে সৰ্বসাধাৰণৰ ওচৰ চাপি গৈছিল। দাস্য ভক্তি ইয়াৰ মূল তত্ব। নামঘৰ, সত্ৰ আদিত গনতান্ত্ৰিক ব্যৱস্থাৰ প্ৰয়োগ মনকৰিবলগীয়া। ব্ৰাহ্মণ্য ক্ৰিয়া—যাগ-যজ্ঞ, পূজা-অৰ্চনা, মূৰ্তিপূজা আদি অবিহনেও মানুহে মুক্তিৰ পথ লাভ কৰিব পাৰে, এয়াই তেওঁৰ একশৰণ নামধৰ্ম অথবা মহাপুৰুষীয়া ধৰ্মৰ মূলমন্ত্ৰ। সাধাৰণ মানুহৰ মুখৰ থলুৱা ভাষা প্ৰয়োগৰ ফলত তেওঁৰ ভক্তিধৰ্ম সমাজত সুদৃঢ় হোৱাৰ লগে লগে অসমীয়া সাহিত্যয়ো বিকাশ লাভ কৰিবলৈ সক্ষম হয়। দেৱ, গুৰু, ভকত আৰু নাম এই চাৰি বস্তুত শৰণ লৈ মানুহে মুক্তি পথ লাভ কৰিব পাৰে। জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে ইয়াৰ অংশীদাৰ হোৱাত কোনো বাধা নাই।

**সূত্ৰ নিৰ্দেশ**

[১] নেওগ, ডিম্বেশ্বৰ ঃ *যুগনায়ক শংকৰদেৱ*, শুৱনী প্ৰকাশ, গুৱাহাটী, ১৯৯৬, পৃ. ৭৪

[২] গোঁহাই, হীৰেন ঃ *অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা,* লয়ার্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯৭, পৃ.৩০

[৩] গোস্বামী, যতীন্দ্রনাথ (সম্পা.) ঃ *বেজবৰুৱা গ্রন্থাৱলী-* তৃতীয় খণ্ড, সাহিত্য প্রকাশ, ট্রিবিউন বিল্ডিংছ, গুৱাহাটী, ২০০৫, পৃ.৩০৩৫

[৪] গোস্বামী, অজিত কুমাৰ (অনু.) ঃ *কিৰাত জন-কৃতি* (মূল গ্রন্থ-Kirata Jana-Kriti- Suniti Kr. Chatterjee), অসম পাবলিচিং কোম্পানী, গুৱাহাটী, ২০১৮, পৃ. ১৩

[৫] Bhattacharyya, Haridas(ed.) ঃ *The Cultural Heritage of India*, Vol.IV, (Article-Sankaradeva and the Vaisnava Movement in Assam-Rajmohan Nath), The Ramkrishna Mission Institute of Culture, Reprints 2002, Calcutta, p.201

[৬] বর্মন, শিৱনাথ ঃ *ৰচনা সম্ভাৰ,* প্রথম খণ্ড, অসম পাবলিচিং কোম্পানী, গুৱাহাটী, ২০২১, পৃ.৩৯

[৭] নেওগ, মহেশ্বৰ (সম্পা.) ঃ *বাণীকান্ত ৰচনাৱলী,* অসম প্রকাশন পৰিষদ, গুৱাহাটী, ১৯৯১,পৃ. ২১২

[৮] নেওগ, ডিম্বেশ্বৰ ঃ পূর্বোক্ত গ্রন্থ, পৃ. ১১

[৯] নেওগ, মহেশ্বৰ ঃ *অসমৰ ধর্মৰ বুৰঞ্জীঃ আন্ধাৰ আৰু পোহৰ,* অসম সাহিত্য সভা, যোৰহাট, ১৯৮৮, পৃ.৩২

[১০] নেওগ, মহেশ্বৰ ঃ উক্ত গ্রন্থ, পৃ. ৩৮

[১১] He carried a deep impression of the nascent Neo-Vaisnava movement that was pulsating in the heart of northern India and manifesting itself in devotional songs. *Sankardeva and His Times-Early History of the Vaisnava Faith and Movement in Assam*, Maheswar Neog, Lawyer's Book Stall, Guwahati,1965, p.106

[১২] বৰা, ধ্রুৱজ্যোতি ঃ ভক্তিৰ অনিৰুদ্ধ যাত্রা-অসমৰ ভক্তি আন্দোলনৰ ধর্মীয় ইতিহাস, অসম পাবলিচিং কোম্পানী, গুৱাহাটী, ২০২২, পৃ.৩০

[১৩] ৰায়চৌধুৰী, অনিল ঃ অসমৰ সমাজ ইতিহাসত নৱবৈষ্ণৱবাদ, বুহুম, গুৱাহাটী, ২০১৩,পৃ.১২৯

[১৪] শর্মা, বাণীকান্ত (সম্পা.) ঃ অসমৰ বৈষ্ণৱ-দর্শনৰ ৰূপৰেখা-আচার্য মনোৰঞ্জন শাস্ত্রী, বাণী প্রকাশ, গুৱাহাটী, ২০০২ ,পৃ. ১৫

[১৫] গুহ, অমলেন্দু ঃ বৈষ্ণৱবাদৰ পৰা মায়ামৰীয়া বিদ্রোহলৈ, ষ্টুডেণ্টচ ষ্ট'ৰচ, গুৱাহাটী, ২০১১,পৃ. ২৬

[১৬] নাথ, ভৱকান্ত (অনু.) ঃ অসমীয়া সংস্কৃতিৰ পটভূমি, , বাণী মন্দিৰ, গুৱাহাটী, ২০০৯, (মূল গ্রন্থ-The Background of Assamese Culture-ৰাজমোহন নাথ ) পৃ.১৯৩